# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৮২/২০২০

## মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰিলে মাজুলী জিলাৰ বিভিন্ন উন্নয়নমূলক আঁচনি
## ‘ভৱিষ্য দৰ্শন মাজুলী’ প্ৰকল্প যুগুতাবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২১ ফেব্ৰুৱাৰী ঃ** আজি মাজুলীৰ গড়মূৰস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত জিলা উন্নয়ন সমন্বয়ৰক্ষী আৰু নিৰীক্ষণ সমিতি (দিশা) ৰ এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন বিভাগৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে গড়কাপ্তানি (পথ আৰু দলং), জলসম্পদ, পৰ্যটন আৰু ব্ৰহ্মপুত্ৰ ব’ৰ্ডৰ কাম-কাজৰ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ ২১৬ খন গাঁৱৰ ৰাইজৰ যাতায়াত ব্যৱস্থা সুচলতৰ কৰাৰ বাবে এক সামগ্ৰিক পৰিকল্পনা যুগুতাই পথ আৰু দলং নিৰ্মাণৰ বাবে প্ৰয়োজনীয় আঁচনিসমূহ চৰকাৰক দাখিল কৰিবলৈও গড়কাপ্তানি বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে মাজুলীৰ জনসাধাৰণক আস্থাত লৈ প্ৰতিটো চৰকাৰী বিভাগ আৰু পঞ্চায়ত পৰ্যায়ৰ প্ৰতিনিধি সকলৰ সহযোগত ‘ভৱিষ্য দৰ্শন মাজুলী’ এক প্ৰকল্প যুগুতাবলৈও সংশ্লিষ্ট বিষয়বৰ্গক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে পথ নিৰ্মাণৰ ক্ষেত্ৰত নিৰ্মাণ কাৰ্যৰ গুণাগুণৰ লগত কোনো পধ্যেই আপোচ নকৰিবলৈ গড়কাপ্তানি বিভাগৰ বিষয়া সকলক নিৰ্দেশ দিয়ে। বৈঠকত উপস্থিত থকা ঠিকাদাৰ সকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে নিৰ্মাণ কাৰ্যৰ লগত জড়িত থকা প্ৰতিগৰাকী ঠিকাদাৰে গুণগত কামৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ বাবে ঠিকাদাৰ সকলে প্ৰয়োজনতকৈ অধিক সময় কাম কৰিব লাগিব। চুক্তি অনুসৰি কাম সম্পূৰ্ণ কৰিব নোৱাৰা ঠিকাদাৰ সকলৰ বিৰুদ্ধে প্ৰয়োজন সাপেক্ষে আইনগত ব্যৱস্থা লোৱা হ’ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ভাল কাম কৰা ঠিকাদাৰ সকলক চৰকাৰে অধিক উৎসাহিত কৰিব।

মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে বৰ্তমানৰ চৰকাৰখনে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰৱৰ্তী পৰ্যায়ত মাজুলীৰ বাট-পথ বহুখিনি সুচল হৈছে। ২০১৬ চনৰ পৰা ২০২০ চনৰ সময়ছোৱাত মাথো বাট-পথ নিৰ্মাণৰ বাবে জিলাখনত ৩৫০ কোটিৰো অধিক ধন ব্যয় কৰা হৈছে। কিন্তু ৰাইজৰ এই সন্তুষ্টি বৰ্তাই ৰাখিব পৰাকৈ এই বাট-পথ সমূহ আমি উপযুক্তভাৱে তদাৰকীও কৰিব লাগিব। মাজুলীৰ অতিকৈ আওঁহতীয়া আঁহতগুৰি পঞ্চায়তৰ পথ দলং নিৰ্মাণৰ বাবে ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰি প্ৰয়োজনীয় আঁচনি ল’বলৈ তেওঁ গড়কাপ্তানি বিভাগক নিৰ্দেশ দিয়ে। অনুৰূপ ধৰণে ভকতচাপৰি এলেকাটো নতুন পথ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ তেওঁ বিভাগক নিৰ্দেশ দিয়ে। দলং নিৰ্মাণৰ ক্ষেত্ৰত উন্নত আধুনিক কাৰিকৰী সা-সঁজুলিৰ ব্যৱহাৰ নিশ্চিত কৰিবলৈ বিষয়া আৰু ঠিকাদাৰ সকলক পৰামৰ্শ দি মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে দলং নিৰ্মাণৰ ক্ষেত্ৰত নদীৰ বুকুত থকা পানী কেতিয়াও অন্তৰায় হ’ব নোৱাৰে। মাজুলীক পোহৰাই ৰখাৰ বাবে পথৰ কাষৰ ষ্ট্ৰীট লাইট সমূহ কাৰ্যক্ষম কৰি তোলাৰ বাবেও তেওঁ সংশ্লিষ্ট বিষয়াবৰ্গক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰী গৰাকীয়ে জলসম্পদ বিভাগ আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ কাম-কাজৰো পৰ্যালোচনা কৰে। বাৰিষা অহাৰ আগেয়ে যাতে জিলাখনৰ মথাউৰি সমূহৰ সৱলীকৰণৰ কাম সম্পূৰ্ণ হয় তাৰ বাবে এক বিশেষ পদক্ষেপ হিচাপে জিলাখনৰ সকলোবোৰ মথাউৰিৰ চৰজমিন পৰীক্ষণৰ বাবে এক বিশেষ দল গঠন কৰিবলৈ তেওঁ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। এই জৰীপকাৰী দলটোৱে প্ৰয়োজন সাপেক্ষে বিশেষজ্ঞকো নিয়োগ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই দলটোৱে স্থানীয় ৰাইজৰ মতামত লৈ মথাউৰি সমূহৰ বৰ্তমানৰ অৱস্থা পৰীক্ষা কৰি দুৰ্বল, স্পৰ্শকাতৰ অংশ সমূহ চিনাক্ত কৰিব আৰু এক সঠিক আৰু সময়োপযোগী প্ৰতিবেদন দাখিল কৰিব লাগিব যাতে তাৰ ওপৰত ভিত্তি কৰি সমাগত বাৰিষাত মাজুলীক বানৰ ভয়াৱহতাৰ পৰা সম্পূৰ্ণৰূপে সুৰক্ষিত কৰিব পৰা যাব। মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু জলসম্পদ বিভাগক সহযোগিতাৰে কাম কৰিবলৈ আহ্বান জনায়। প্ৰয়োজন সাপেক্ষে আই আই টি গুৱাহাটীৰ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰি মাজুলীৰ স্থায়ী সুৰক্ষাৰ বাবে দীৰ্ঘম্যাদী প্ৰকল্প প্ৰস্তুত কৰিবলৈ তেওঁ ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত কাষৰীয়া ৰাইজৰ সুবিধা-অসুবিধাৰ কথা লক্ষ্য ৰাখিবলৈ আহ্বান জনাই তেওঁ ওখ মথাউৰি সমূহৰ কাযেৰে প্ৰয়োজন সাপেক্ষে চাৰ্ভিছ ৰোড নিৰ্মাণৰ ব্যৱস্থা ল'বলৈও বিভাগীয় বিষয়া সকলক নিৰ্দেশ দিয়ে। গৰাখহনীয়া প্ৰতিৰোধৰ বাবে মথাউৰিৰ কাষৰ নদীৰ ফালৰ অংশটোত বেতৰ খেতি কৰিবলৈ স্থানীয় যুৱক-যুৱতীসকলক উৎসাহ দিবৰ বাবে তেওঁ বিভাগক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা 'বেম্বো এণ্ড কেন পলিচি'ৰ জৰিয়তে প্ৰয়োজনীয় ৰাজসাহায্য আগবঢ়াব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী গৰাকীয়ে আৰু কয় যে ওখ মথাউৰি সমূহক পথলৈ ৰূপান্তৰিত কৰিলে পৰ্যটক সকলে তাৰে পৰাই মাজুলীৰ নৈসৰ্গিক সৌন্দৰ্যৰ এক সুন্দৰ প্ৰতিচ্ছবি দেখা পাবলৈ সক্ষম হ'ব।

মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে মহাবাহু ব্ৰহ্মপুত্ৰই মাজুলীক বান-খহনীয়াৰ সমস্যাৰে ব্যতিব্যস্ত কৰাৰ সমান্তৰালভাৱে এক উৰ্বৰ ভূমি হিচাপেও গঢ় দি আহিছে। চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ সুফল স্বৰূপে সম্প্ৰতি মাজুলী বানৰ তাণ্ডৱৰ পৰা বহুখিনি সুৰক্ষিত হৈছে যদিও নদীৰ পানীৰ স্বাভাৱিক সোঁত দ্বীপটোৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰা বাবে মাটিৰ উৰ্বৰতাৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পৰিছে। মাছৰ উৎপাদন, মাটিৰ উৰ্বৰতা আদি বৰ্তাই ৰখাৰ লগতে প্ৰাকৃতিক জলাশয় সমূহৰ আভ্যন্তৰিণ স্বাস্থ্যৰ বাবে নদীৰ পানী খাল-বিলত সোমোৱাটো প্ৰয়োজনীয়। সেয়েহে, মথাউৰি সমূহৰ উপযুক্ত অংশত শ্লুইচ গেট নিৰ্মাণৰ ব্যৱস্থা ল'বলৈ তেওঁ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। লগতে কোনো অপশক্তিয়ে যাতে এই সমূহ অপব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে শ্লুইচ গেট সমূহ খোলা আৰু বন্ধ কৰাৰ ব্যৱস্থাটো ডিজিটেল ৰূপত গঢ়ি তোলাৰ পদক্ষেপ ল'বলৈও তেওঁ বিভাগ নিৰ্দেশ দিয়ে। জলসম্পদ বিভাগ আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডে নিৰ্মাণ কৰা পাৰ্কোপাইন সমূহৰ চোৱা-চিতাৰ বাবে স্থানীয় যুৱক-যুৱতীসকলক নিয়োগ কৰি কেতবোৰ স্থানীয় নিৰীক্ষণ সমিতি গঠন কৰিবলৈ তেওঁ পৰামৰ্শ আগবঢ়ায়।

নদীদ্বীপ মাজুলীক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্যৰ পৰ্যটন বিভাগে জিলাখনত ৰূপায়ন কৰা আঁচনি সমূহো আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰে। ভাৰত চৰকাৰৰ

স্বদেশ দৰ্শন আঁচনিৰ অধীনত মাজুলীক এক হেৰিটেজ চাৰ্কিটৰ বিকাশৰ বাবে হাতত লোৱা আঁচনি সমূহৰ অগ্ৰগতিৰ বুজ লৈ মুখ্যমন্ত্ৰীয়ে দৰিয়াডুবিৰ পাৰটোক এক ৰাকিং জ'ন হিচাপে গঢ়ি তোলাৰ লগতে জলাশয়টোত পৰ্যটকৰ বাবে ওপঙা ৰেষ্টুৰেন্টৰ ব্যৱস্থা কৰিবলৈ পৰ্যটন বিভাগক পৰামৰ্শ আগবঢ়ায়। মাজুলীৰ আটাইবোৰ বিল আৰু জলাশয় সংৰক্ষণ কৰি এইবোৰক পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ পদক্ষেপ ল'বলৈও তেওঁ বিভাগক নিৰ্দেশ দিয়ে। মাজুলীৰ যুৱক-যুৱতীসকলক পৰ্যটনৰ ক্ষেত্ৰত আত্মনিয়োগ কৰাত উৎসাহ যোগোৱাৰ বাবে সজাগতামূলক কাৰ্যসূচী, কৰ্মশালা আদি আয়োজন কৰিবলৈ পৰামৰ্শ দি মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে পৰ্যটকৰ বাবে বন্ধুত্বসুলভ এক আন্তঃগাঁথনি নিৰ্মাণ কৰিব পাৰিলেহে মাজুলীয়ে নিজৰ অতিথি পৰায়ণতাৰ বাবে বিশ্বত নিজৰ সুনাম বিয়পাবলৈ সক্ষম হ'ব। এই ক্ষেত্ৰত তেওঁ অসম চৰকাৰৰ আমাৰ আলহী আঁচনি খনৰ সুযোগ গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। উল্লেখযোগ্য যে স্বদেশ দৰ্শন আঁচনিৰ অধীনত মাজুলীৰ কমলাবাৰী ঘাট, দৰিয়াডুবিৰ পাৰ, টুনি নৈৰ পাৰ, শালমৰা গাওঁ, চামগুৰি সত্ৰ আদি বিভিন্ন স্থান সামৰি পৰ্যটক তথ্য কেন্দ্ৰ 'লগ হাত', নিৰীক্ষণ টাৱাৰ, পটাৰি ভিলেজ, প্ৰদৰ্শন আৰু বিক্ৰী কেন্দ্ৰ আদি বিভিন্ন আন্তঃগাঁথনি উন্নয়নৰ কাম চলি আছে আৰু এই সমূহ অহা জুলাই মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাৰ অধ্যক্ষতাত অনুষ্ঠিত জিলা উন্নয়ন সমন্বয়ৰক্ষী আৰু নিৰীক্ষণ সমিতি (দিশা) ৰ এই বৈঠকত মাজুলী জিলা পৰিষদৰ সভানেত্ৰী পাপু হাজৰিকা দত্ত, মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰী, ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ অধ্যক্ষ ৰাজীৱ যাদৱ, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী প্ৰমুখ্যে চৰকাৰী বিভাগৰ জিলা পৰ্যায়ৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

**প্ৰঃবঃ / পুঃডেঃ**
**২১/০২/২০২০**